(২০১৯)৮এছ.চি.আৰ. ৬৬৯

আব্দুল কুড্ডুছ

-বনাম-

ভাৰত যুক্তৰাজ্য আৰু অন্যান্য

(দেৱানী আপীল নং ৫০১২/২০১৯)

ৰায়দানৰ তাৰিখ ১৭ মে,২০১৯

[ভাৰতৰ মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ, ন্যায়াধীশ দীপক গুপ্তা আৰু ন্যায়াধীশ সঞ্জীৱ খান্নাৰ বিচাৰপীঠ]

নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) নিয়মাৱলী, ২০০৩: অনুসূচী, দফা নং ৩(২) আৰু দফা নং ৮ – মাজত সংঘাত– অসমত ব্যক্তিসকলৰ নাগৰিকত্ব স্থিতি –নিৰ্ণয়- গৃহীত: দফা ৩(২)য়ে যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী বুলি ঘোষণা কৰা বিভিন্ন শ্ৰেণীৰ ব্যক্তিসকলৰ বিষয়ে মোকাবিলা কৰে – এনে ব্যক্তিসকলক ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰিব নোৱাৰি – এনে ব্যক্তিসকলে অসমত বসবাস কৰি থকাৰ ভিত্তিত ভাৰতীয় নাগৰিকত্ব দাবী কৰিব নোৱাৰে – আনহাতে, দফা ৮য়ে যিজন ব্যক্তিয়ে আপত্তি দাৰ্শাইছিল আৰু দফা ৭-ৰ অধীনত চূড়ান্ত তালিকা প্ৰকাশৰ জৰিয়তে গ্ৰহণ কৰা সিদ্ধান্তত সন্তুষ্ট হোৱা নাছিল, এনে ব্যক্তিক আপীল কৰাৰ অধিকাৰ প্ৰদান কৰে –এনে ব্যক্তিসকলে ১৯৬৪ চনৰ আদেশৰ অধীনত গঠন কৰা নিৰ্দিষ্ট ন্যায়াধিকৰণৰ সন্মুখত ষাঠি দিনৰ ভিতৰত আপীল দাখিল কৰিব পাৰিব আৰু ন্যায়াধিকৰণৰ দ্বাৰা আপীল নিষ্পত্তি কৰাৰ পিছত, সেই অনুসৰি এনে ব্যক্তিসকলক অসমৰ এন.আৰ.চিত অন্তৰ্ভুক্ত বা বিলোপ কৰিব পাৰে– সেইবাবে, দফা নং ৮ৰ বিধান সমূহ

তেতিয়াহে প্ৰযোজ্য হ'ব যেতিয়া তাত বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা আগতে গ্ৰহণ কৰা নিৰ্ণয় আৰু সিদ্ধান্ত নাথাকিব –তদুপৰি, দফা নং৮-ত একে কৰ্তৃপক্ষৰ সন্মুখত দ্বিতীয় পৰ্যায়ৰ কাৰ্য্যবিধি অনুস্থিত কৰাৰ বিষয়ে বিবেচনা কৰা হোৱা নাই আৰু এই বিষয়ে ব্যৱস্থাও আগবঢ়োৱা নাই-বিদেশী ন্যায়াধিকৰণে চূড়ান্ত তালিকা প্ৰস্তুত কৰোতে আৰু তাৰপিছত – ন্যায়াধিকৰণৰ মতামত/আদেশ, বা বিদেশী ন্যায়াধিকৰণৰ মতামতৰ আধাৰত পঞ্জীয়ন কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা আদেশ, লেখ কাৰ্য্যবিধিৰ দ্বাৰা প্ৰত্যাহ্বান জনাব পাৰিব – বিদেশী ন্যায়াধিকৰণৰ মতামত আৰু/বা পঞ্জীয়ন কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা পৰিণামমূলক আদেশ পূৰ্বে নিৰ্ণীত (Res Judicata) হিচাপে পৰিগণিত হ'ব– নাগৰিকত্ব আইন, ১৯৫৫ –বিদেশী নাগৰিক আইন, ১৯৪৬ – বিদেশী (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪।

ভাৰতীয় সংবিধান: অনুচ্ছেদ ১৪২ – অধীনৰ ক্ষমতাৰ প্ৰয়োগ –অসমত বসবাস কৰা ব্যক্তিসকলৰ নাগৰিকত্ব স্থিতি সম্পৰ্কীয় বিবাদ নিৰ্ণয় কৰাৰ বাবে এক আপীল মঞ্চৰ সৃষ্টি কৰা– গৃহীত: আপীল মঞ্চ সৃষ্টি কৰিবলৈ আৰু বিধান সভাৰ বাবে সংৰক্ষিত আইন প্ৰণয়ন ক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ তেনে কোনো নিৰ্দেশনা জাৰি কৰিব নোৱাৰি।

সৰ্বানন্দ সোণোৱাল-বনাম-ভাৰত যুক্তৰাজ্য আৰু অন্য,(২০০৫)৫ এছ.চি.চি. পৃ.৬৬৫: [২০০৫] ১ অতিৰিক্ত, এছ.চি.আৰ.পৃ.৪৭২ ; সৰ্বানন্দ সোণোৱাল (II)-বনাম-ভাৰত যুক্তৰাজ্য আৰু অন্য। (২০০৭) ১ এছ.চি.চি.পৃ.174: [২০০৬] ১০ অতিৰিক্ত, এছ.চি.আৰ. পৃ.167; ভাৰতীয় জাতীয় কংগ্ৰেছ (I) -বনাম- সমাজ কল্যান প্ৰতিস্হান আৰু অন্যান্য (২০০২) ৫

এছ.চি.চি.পৃ.৬৮৫: [২০০২] ৩ এছ.চি.আৰ. পৃ.১০৪০; শ্ৰীমতীউজ্জমবাই-বনাম- উত্তৰপ্ৰদেশ আৰু অন্য এ.আই.আৰ. ১৯৬২ এছ.চি. পৃ.১৬২১; ড. জে.জে.মাৰ্চেণ্ট আৰু অন্যান্য -বনাম- শ্ৰীনাথচতুৰ্বেদী, (২০০২) ৬ এছ.চি.চি.পৃ.৬৩৫:(২০০২)১ অতিৰিক্ত, এছ.চি.আৰ. পৃ.৪৬৯; ৰাজেশ কুমাৰ আৰু অন্যান্য -বনাম- ডেপুটি চি.আই.টি আৰু অন্যান্য । (২০০৭) ২ এছ.চি.চি. পৃ.১৮১: [২০০৬]৮ অতিৰিক্ত এছ.চি.আৰ. পৃ. ২৮৪; পি ৰামাচন্দ্ৰ ৰাও -বনাম- কৰ্ণাটক (২০০২) ৪ এছ.চি.চি. পৃ. ৫৭৮; প্ৰৱাসী ভলাই সংগঠন –বনাম- ভাৰত যুক্তৰাজ্য (২০১৪) ১১ এছ.চি.চি. পৃ.৪৭৭: [২০১৪], ৪ এছ.চি.আৰ. পৃ. ৪৪৬ত প্ৰতিবেদিত গোচৰ সমূহ উল্লেখ কৰা হৈছে।

<u>প্ৰাসংগিক গোচৰ আইন</u>

[২০০৫] ১ অতিৰিক্ত এছ.চি.আৰ. পৃ. ৪৭২ দফা ১৩ৰ উদ্ধৃতিৰে

[২০০৬] ১০ অতিৰিক্ত এছ.চি.আৰ. পৃ.১৬৭ দফা ১৪ ৰ উদ্ধৃতিৰে

[২০০২] ৩ এছ.চি.আৰ. পৃ.১০৪০ দফা ১৯ৰ উদ্ধৃতিৰে

এ.আই.আৰ ১৯৬২ এছ.চি. পৃ.১৬২১ দফা ২০ ৰ উদ্ধৃতিৰে

[২০০২] ১ অতিৰিক্ত এছ.চি.আৰ. পৃ. ৪৬৯দফা ২০ ৰ উদ্ধৃতিৰে

[২০০৬] ৮ অতিৰিক্ত এছ.চি.আৰ. পৃ.২৮৪ দফা ২০ ৰ উদ্ধৃতিৰে

(২০০২) ৪ এছ.চি.চি. পৃ. ৫৭৮.দফা ২৫ ৰ উদ্ধৃতিৰে

[২০১৪] ৪এ ছ.চি.আৰ.পৃ. 446 দফা ২৫ ৰ উদ্ধৃতিৰে

দেৱানী/ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীলনং- ৫০১২/২০১৯

গৌহাটি উচ্চ ন্যায়ালয়, গুৱাহাটীয়ে ০৭.০৫.২০১৮ তাৰিখে লেখ আবেদন(চি) নং১০৭৩/২০১৬ লগতে দেৱানী আপীল নং ৫০২৫, ৫০২৬, ৫০১৩, ৫০১৪,

৫০১৫, ৫০২৪, ৫০১৬, ৫০১৭, ৫০২১, ৫০২৩, ৫০১৮, ৫০২২, ৫০১৯ আৰু ৫০২০/ ২০১৯ত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা

ফৌজদাৰী আপীল নং-৯১০/২০১৯

কপিল চিব্বাল, চলমান খুৰ্ছিদ, সঞ্জয় আৰ. হেগড়ে, জ্যেষ্ঠ অধিবক্তা ফুজাইল আহমেদ আয়ুবি, নিজাম পাশা, ইবাদ মুস্তাক, শ্ৰীমতী অদিতি গুপ্তা, শ্ৰীমতী তেহশ্বীনা জেড হুছেইন, শ্ৰীমতী লুবনা নাজ, শ্ৰীমতী কুনিকা, শ্ৰীমতী লালৰোটলুয়াংগী, অভিষেক সৰকাৰ, শ্ৰীমতী হিনা খানা, অভিজিত ৰয়, আনাছ তানৱিৰ, শ্ৰীমতী প্ৰাঞ্জল কিশোৰ, শ্ৰীমতী কামাক্ষী এছ. মেহলৱাল, মৃগাঙ্ক প্ৰভাকৰ, এ. এছ. তাপদাৰ, শ্ৰীমতী সাক্ষী বঙ্গ, পিজুশ কে. ৰয়, শ্ৰীমতী কাকলি ৰয়, ৰাজেন কে. চৌৰাছিয়া, কৌশিক চৌধুৰী, এই অধিবক্তাসকলে আপীলকাৰীসকলক প্ৰতিনিধিত্ব কৰিছে।

মহান্যায়বাদী তুষাৰ মেহতা, শ্ৰীমতী মাধৱী দিভান, সহকাৰী মহান্যায়বাদী এ. এন. এছ. নাদকাৰ্ণী, শুভদীপ ৰয়, ৰজত নায়াৰ, ৰিজুক সৰকাৰ, শ্ৰীমতী ঐশ্বৰ্য ভাটি, ৰজত নায়াৰ, এছ. দেশমুখ, বি. ভি. বলৰাম দাস, অভিজিত ৰয়, এই সকল অধিবক্তাই প্ৰতিবাদীসকলক প্ৰতিনিধিত্ব কৰিছে।

নিম্নলিখিত ধৰণে আদালতৰ আদেশ গৃহীত কৰা হৈছিল।

আদেশ

ন্যায়াধীশ সঞ্জীৱ খান্না,

১. বিলম্ব মাফ কৰা হৈছে। অনুমতি প্ৰদান কৰা হৈছে।

২.  এই আদেশে নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) নিয়ম, ২০০৩ (চমুকৈ"২০০৩ৰনিয়ম")ৰ অনুসূচীৰ দফা -৩ৰ উপ-দফা(২) আৰু দফা ৮ মাজত উদ্ভৱ হোৱা বিবাদ নিৰ্ণয় কৰে।আমি আপীলকাৰীসকলৰ বিকল্প যুক্তি আৰু পৰামৰ্শও বিবেচনা কৰিম যে এই ন্যায়ালয়ে এক ন্যায়িক ৰায় প্ৰদানৰ জৰিয়তে আৰু ভাৰতীয় সংবিধানৰ ১৪২ নং অনুচ্ছেদত সন্নিবিষ্ট ক্ষমতা প্ৰয়োগ কৰি এক আপীলমঞ্চৰ সৃষ্টি আৰু সুব্যৱস্হা কৰিব যিয়ে অসমত বসবাস কৰা ব্যক্তিসকলৰ নাগৰিকত্ব স্থিতি সম্পৰ্কীয় বিবাদ নিৰ্ণয় কৰিব।

৩. সংবিধানৰ ৫ৰ পৰা ৯ নং অনুচ্ছেদত যিসকল ব্যক্তি সংবিধান কাৰ্যকৰী হোৱাৰ সময়ত ভাৰতৰ নাগৰিক আছিল তেওঁলোকৰ বিষয়ে বৰ্ণনা আৰু ইয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হৈছে। ১০ নং অনুচ্ছেদে তেওঁলোকক নাগৰিক হিচাপে সংসদৰ দ্বাৰা প্ৰস্তুত কৰা যিকোনো আইনৰ ব্যৱস্থা সাপেক্ষে অব্যাহত ৰখাৰ ব্যৱস্থা কৰে। সংবিধানৰ ১১ নং অনুচ্ছেদে, স্পষ্টভাৱে সংসদক নাগৰিকত্ব অধিগ্ৰহণ আৰু সমাপ্তি আৰু নাগৰিকত্ব সম্পৰ্কীয় সকলো বিষয়ৰ সন্দৰ্ভত আইন প্ৰণয়নৰ ক্ষমতা প্ৰদান কৰে। এই উদ্দেশ্য সফল কৰাৰ উদ্দেশ্যৰে, সংসদে নাগৰিকত্ব আইন, ১৯৫৫ (চমুকৈ"নাগৰিকত্বআইন") প্ৰণয়ন কৰিছে যিয়ে সংবিধান কাৰ্যকৰী হোৱাৰ পিছত জন্ম, পঞ্জীয়ন, প্ৰাকৃতিককৰণ আৰু অন্তৰ্ভুক্তিৰ দ্বাৰা নাগৰিকত্ব অধিগ্ৰহণৰ ব্যৱস্থা আগবঢ়ায়।

৪. নাগৰিকত্ব আইনৰ ধাৰা ১৪(ক)ত কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ প্ৰতিজন নাগৰিকক বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰিব পাৰে আৰু

তেওঁক/তাইক ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বৰ্তাই ৰাখিব পাৰে আৰু এই উদ্দেশ্যৰ বাবে এক ৰাষ্ট্ৰীয় পঞ্জীয়ন কৰ্তৃপক্ষ স্হাপন কৰিব পাৰে। যিদৰে নিৰ্ধাৰিত কৰা হ'ব সেইমতে নাগৰিকসকলে বাধ্যতামূলক পঞ্জীয়ন প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব।

৫. নাগৰিকত্ব আইনৰ ধাৰা ৬(ক)-ত অসম চুক্তিৰ অধীনৰ ব্যক্তিসকলৰ নাগৰিকত্বৰ বিষয়ে বিশেষ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। বৰ্তমান আদেশৰ উদ্দেশ্য, আমি নাগৰিকত্ব আইনৰ ধাৰা ৬(ক)-ৰ উপ-ধাৰা(৩)ৰ পুনৰ উল্লেখ কৰিব বিচাৰো যিটো নিম্নলিখিতধৰণে ব্যাখ্যা কৰা হৈছে:

"ধাৰা ৬(ক), অসম চুক্তিয়ে সামৰি লোৱা ব্যক্তিসকলৰ নাগৰিকত্বৰ বিষয়ে বিশেষ ব্যৱস্থা-

(৩) উপ-ধাৰা (৬) আৰু (৭)ৰ বিধান সাপেক্ষে, প্ৰতিজন ভাৰতীয় মূলৰ ব্যক্তি যি

(ক) কোনো এক নিৰ্দিষ্ট অঞ্চলৰ পৰা ১৯৬৬ চনৰ জানুৱাৰীৰ প্ৰথম তাৰিখে বা তাৰ পিছত কিন্তু ১৯৭১ চনৰ মাৰ্চৰ ২৫ তাৰিখৰ আগতে অসমলৈ আহিছিল; আৰু

(খ) অসমত প্ৰৱেশ কৰা তাৰিখৰ পৰা অসমৰ এজন সাধাৰণ বাসিন্দা; আৰু

(গ) এজন বিদেশী বুলি ধৰা পৰিছে,

কেন্দ্ৰীয় চৰকাৰে ধাৰা ১৮ অনুযায়ী নিৰ্ধাৰিত নিয়ম অনুসৰি উল্লেখিত কৰ্তৃপক্ষৰ সৈতে (যাক এই উপ-ধাৰাত পঞ্জীয়ন কৰ্তৃপক্ষ বুলি উল্লেখ কৰা হৈছে) নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। যদি তেওঁৰ নাম নিৰ্দিষ্ট তাৰিখত

কোনো বিধানসভা বা সংসদীয় সমষ্টিৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়, তেন্তে তেওঁৰ নাম সেই তালিকাৰ পৰা বিলোপ কৰা হ'ব।

ব্যাখ্যা-এই উপ-ধাৰাৰ অধীনত পঞ্জীয়নৰ বাবে আবেদন কৰা যিকোনো ব্যক্তিৰ ক্ষেত্ৰত, বিদেশী (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪ অধীনত গঠিত ন্যায়াধিকৰণৰ মতামত অনুসৰি এনে ব্যক্তিক এজন বিদেশী বুলি ধৰিবলৈ এই ধাৰাৰ উপ-ধাৰা (গ)ৰ অধীনত প্ৰয়োজনীয় প্ৰমাণক পৰ্যাপ্ত বুলি গণ্য কৰা হ'ব আৰু যদি কোনো প্ৰশ্ন উত্থাপিত হয় যে এনে ব্যক্তিয়েই উপ-ধাৰাৰ অধীনত আন কোনো প্ৰয়োজনীয় স্বৰ্ত পূৰণ কৰিছেনে নাই,তেতিয়া পঞ্জীয়ন কৰ্তৃপক্ষই সিদ্ধান্ত ল'ব যে-

(i) যদি সেই মতামতত অন্য কোনো প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত থাকে, তেন্তে সেই সিদ্ধান্তৰ সৈতে সঙ্গতি ৰাখি প্ৰশ্নটোৰ নিস্পত্তি কৰা হ'ব।

(ii) যদি সেই মতামতত অন্য কোনো প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত নাথাকে, তেন্তে কেন্দ্ৰীয় চৰকাৰে ধাৰা ১৮ৰ অধীনত নিৰ্ধাৰিত নিয়ম অনুসৰি উক্ত আদেশৰ অধীনত গঠন কৰা আৰু ক্ষেত্ৰাধিকাৰ থকা ন্যায়াধিকৰণলৈ প্ৰশ্নটো প্ৰেৰণ কৰিব আৰু সেই ন্যায়াধিকৰণৰ মতামতৰ ভিত্তিত প্ৰশ্নটোৰ নিস্পত্তি কৰা হ'ব।''

ধাৰা ৬ক-ৰ উপ-ধাৰা (৩)ত উল্লেখ কৰা হৈছে যে ইয়াৰ উপ-ধাৰা (৬) আৰু (৭)ৰ বিধান সাপেক্ষে, সকলো ব্যক্তি যি ১ জানুৱাৰী, ১৯৬৬ চনত বা তাৰ পিছত কিন্তু ২৫ মাৰ্চ, ১৯৭১ৰ পূৰ্বে কোনো নিৰ্দিষ্ট অঞ্চলৰ পৰা অসমলৈ আহিছিল আৰু প্ৰৱেশৰ তাৰিখৰ পৰা অসমৰ সাধাৰণ বাসিন্দা ৰূপে বসবাস কৰি আহিছে আৰু যিসকলক বিদেশী হিচাপে চিনাক্ত কৰা হৈছে, তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মৰ অনুসৰি পঞ্জীয়ন কৰ্তৃপক্ষৰ

সৈতে নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। যদি তেনে কোনো ব্যক্তিৰ নাম কোনো বিধানসভা বা সংসদীয় সমষ্টিৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে, তেন্তে তেওঁৰ নাম সেই তালিকাৰ পৰা বিলোপ কৰিব লাগিব। ধাৰা ৬(ক)(৩)ৰ ব্যাখ্যাত কোৱা হৈছে যে বিদেশী (ন্যায়াধিকৰণ)ৰ আদেশ ১৯৬৪ ("চমুকৈ ১৯৬৪ আদেশ") অধীনত ন্যায়াধিকৰণে যদি মতামত দিয়ে যে ব্যক্তিজন বিদেশী, তেন্তে সেই মতামত উপধাৰা (৩)ৰ বাবে পৰ্যাপ্ত বুলি গণ্য কৰা হ'ব। ন্যায়াধিকৰণৰ মতামত নাগৰিকত্ব আইনৰ ধাৰা৬(ক)-ৰউপ-ধাৰা (৩)ৰ যিকোনো অন্য প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো বাধ্যতামূলক হ'ব। যদি ন্যায়াধিকৰণৰ পূৰ্বৰ মতামত অন্যান্য প্ৰয়োজনীয়তাবোৰৰ ক্ষেত্ৰত নীৰৱ তেন্তে পঞ্জীয়ন কৰ্তৃপক্ষই বিষয়টো উক্ত আদেশৰ অধীনত গঠিত ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিব লাগিব। তাৰপিছত, পঞ্জীয়ন কৰ্তৃপক্ষই প্ৰশ্নটো ন্যায়াধিকৰণৰ পৰা প্ৰাপ্ত মতামতৰ সৈতে সামঞ্জস্য ৰাখি বিষয়টোৰ ওপৰত সিদ্ধান্ত ল'ব ।

৬. ১৯৬৪ৰ আদেশ প্ৰতি গুৰুত্ব দিয়াৰ আগতে, আমি অসমত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ এক বিশেষ বিধান হিচাপে ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ নিয়ম ৪(ক) উল্লেখ কৰিব বিচাৰো, যিটো ৯ নৱেম্বৰ, ২০০৯ তাৰিখে জি.এছ.আৰ. ৮০৩(ঙ) যোগ কৰা হৈছিল। ২০০৩ৰ নিয়মাৱলীৰ ৪(ক) নং নিয়মক নিম্নলিখিত ধৰণে ব্যাখ্যা কৰা হৈছে:

"৪ (ক) - অসমৰ ক্ষেত্ৰত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীকৰণৰ বিশেষ ব্যৱস্থা- (১) নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) সংশোধনী নিয়ম, ২০০৯ কাৰ্যকৰী হোৱাৰ পিছত নিয়ম-৪ ৰ কোনো বিধান অসম ৰাজ্যত প্ৰযোজ্য নহ'ব।

(২) অসমত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য জুৰি এক প্ৰক্ৰিয়া চলাব। ইয়াত সকলো বাসিন্দাৰ পৰা আবেদনপত্ৰ আহ্বান কৰা হ'ব আৰু প্ৰতিটো পৰিয়াল আৰু ব্যক্তিগত বিষয়ত তথ্য সংগ্ৰহ কৰা হ'ব, ইয়াত নাগৰিকত্বৰ স্থিতি ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ মধ্যৰাতি পৰ্যন্ত ভোটাৰ তালিকাৰ আধাৰত নিৰ্দ্ধাৰিত হ'ব।

(৩) নাগৰিক পঞ্জীকৰণৰ মহা-পঞ্জীয়কে গণনাৰ নিৰ্দিষ্ট সময় আৰু ম্যাদ ৰাজপত্ৰত ঘোষনা কৰিব ।

(৪) অসমত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুতৰ পদ্ধতি এই নীতি-নিয়মসমূহৰ সৈতে সংলগ্ন সূচীত উল্লেখিত হ'ব।

নিয়ম ৪(ক)-ৰ উপ-নিয়ম

(২)ত কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰে অসমত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰাৰ উদ্দেশ্য সকলো বাসিন্দাৰ পৰা আবেদনপত্ৰ আহ্বান কৰিব। এই আবেদনসমূহৰ জৰিয়তে, ৰাজ্যৰ স্থানীয় অঞ্চলত বসবাস কৰা প্ৰতিটো পৰিয়াল আৰু ব্যক্তিৰ নিৰ্দিষ্ট তথ্য সংগ্ৰহ কৰা হ'ব, য'ত নাগৰিকৰ স্থিতি ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ২৪ মাৰ্চ, ১৯৭১ৰ মধ্যৰাতি পৰ্যন্তৰ ভোটাৰ তালিকা ভিত্তিত হ'ব। অসম ৰাজ্যত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুতৰ পদ্ধতি ২০০৩ চনৰ নিয়মৰ সূচীত উল্লেখিত ধৰণে হ'ব।

৭. আমাৰ সম্পূৰ্ণ সূচী পুনৰাবৃত্তি কৰা নহ'ব, কিন্তু অনুসূচীৰ ২ নং দফা উল্লেখ কৰিব বিচাৰিম, যিয়ে অসম ৰাজ্যত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ খচৰা প্ৰস্তুতৰ আদেশ নিৰ্ধাৰণ কৰে আৰু ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ২৪ মাৰ্চ, ১৯৭১ৰ মধ্যৰাতি পৰ্যন্তৰ ভোটাৰ তালিকা ভিত্তিত প্ৰস্তুতৰ পদ্ধতি উল্লেখ কৰে। এইদৰে প্ৰস্তুত কৰা তালিকাখন প্ৰকাশিত হ'ব লাগিব আৰু

প্ৰতিখন গাওঁ আৰু ৱাৰ্ডত ব্যাপক বিতৰণ আৰু ৰাজহুৱা পৰিদৰ্শনৰ বাবে ভাৰতীয় নাগৰিকৰ স্থানীয় পঞ্জীয়কৰ ওচৰত উপলব্ধ হ'ব লাগিব। ভাৰতীয় নাগৰিকসকলৰ স্থানীয় পঞ্জীয়কে আৱেদনপত্ৰ গ্ৰহণ আৰু আৱেদনকাৰীসকলক ৰচিদ প্ৰদান কৰিবলৈ বাধ্য।

৮. ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ ২নং দফাৰ উপ-দফা (৩) তলত উল্লেখিত ধৰণে ব্যাখ্যা কৰা হৈছে:

"নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে, উপ-দফা (২) অধীনত আবেদন প্ৰাপ্তিৰ পিছত আৱেদনবোৰ পৰীক্ষা আৰু নিশ্চিতকৰণৰ পাছত এক সঙ্কলিত তালিকা প্ৰস্তুত কৰিব য'ত নিম্নলিখিত ব্যক্তিসকলৰ নাম উল্লেখ থাকিব, যেনে:

১৯৭১ চনৰ ২৪ মাৰ্চৰ মধ্যৰাতি পৰ্যন্তৰ যিকোনো ভোটাৰ তালিকাৰ অন্তৰ্ভূক্ত বা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, ১৯৫১ত অন্তৰ্ভূক্ত ব্যক্তিসকলৰ নাম;

উপৰোক্ত দফা (ক)ত উল্লেখিত ব্যক্তিসকলৰ উত্তৰাধিকাৰী।"

এই উপ-দফাত কোৱা হৈছে যে, স্থানীয় পঞ্জীয়কে উপ-দফা(২)অনুসৰি নাগৰিকৰ পৰা আবেদন গ্ৰহণ কৰাৰ পাছত, সেই আবেদনসমূহ পৰীক্ষা কৰিব আৰু নিশ্চিতকৰণৰ পিছত এক সঙ্কলিত তালিকা প্ৰস্তুত কৰিব। এই তালিকাত ২৪ মাৰ্চ, ১৯৭১ৰ মধ্যৰাতি পৰ্যন্তৰ ভোটাৰ তালিকাত বা ১৯৫১ চনৰ নাগৰিক পঞ্জীত নাম থকা ব্যক্তিসকলৰ নাম আৰু সেইসকল ব্যক্তিৰ উত্তৰাধিকাৰীসকলৰ নামো অন্তৰ্ভুক্ত থাকিব।

৯. ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ দফা ৩ তলত উল্লেখ কৰা হৈছে:

"৩. আবেদনসমূহৰ পৰীক্ষণ-(১) দফা ২-ৰ উপ-দফা (৩)অধীনত গ্ৰহণ কৰা আবেদনসমূহ আবেদনপত্ৰত উল্লেখিত তথ্য চৰকাৰী ৰেকৰ্ডৰ সৈতে তুলনা কৰি পৰীক্ষা কৰা হ'ব। যিসকল ব্যক্তিৰ তথ্য সঠিক ক্ৰমত পোৱা

যাব, তেওঁলোকৰ নাম সঙ্কলিত তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে উপযুক্ত হিচাপে বিবেচিত হ'ব।

(২) যিসকল ব্যক্তিক যোগ্য প্ৰাধিকাৰী দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা কৰা হৈছে, তেওঁলোকৰ নাম সঙ্কলিত তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ব।

তথাপিও, যিসকল ব্যক্তি ১৯৬৬ চনৰ পিছত আৰু ২৫ মাৰ্চ, ১৯৭১ৰ আগতে অসমলৈ আহিছিল আৰু বিদেশী পঞ্জীয়নৰ আঞ্চলিক বিষয়াৰ সৈতে নিজৰ নাম পঞ্জীয়ন কৰিছিল আৰু যিসকল ব্যক্তিক যোগ্য প্ৰাধিকাৰীয়ে অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা কৰা নাই, তেওঁলোকৰ নাম সঙ্কলিত তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ উপযুক্ত বুলি বিবেচিত হ'ব।

(৩) অসম ৰাজ্যৰ মূল বাসিন্দা আৰু তেওঁলোকৰ সন্তান আৰু উত্তৰাধিকাৰীসকলৰ নাম, যিসকল ভাৰতীয় নাগৰিক, তেওঁলোকক সঙ্কলিত তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব যদি এইসকল ব্যক্তিৰ নাগৰিকত্ব যুক্তিসংগত সন্দেহৰ বাহিৰত আৰু পঞ্জীয়ন কৰ্তৃপক্ষৰ সন্তুষ্টিৰ বাবে নিশ্চিত কৰা হয়:

(৪)স্থানীয় নাগৰিক পঞ্জীয়ন কৰ্তৃপক্ষই, যদি ধাৰা ২ৰ উপধাৰা (৩)ৰ অধীনত গ্ৰহণ কৰা আবেদনত পিতৃ-মাতৃৰ সৈতে সম্পৰ্ক বা উল্লেখিত কোনো তথ্যৰ ওপৰত কোনো সন্দেহ থাকে, তেন্তে বিষয়টো তদন্তৰ বাবে জিলা দণ্ডাধীশলৈ প্ৰেৰণ কৰিব আৰু তেওঁৰ সিদ্ধান্তৰ কথা ব্যক্তিজনক বা তেওঁৰ পৰিয়ালক অৱগত কৰাব।

(৫) স্থানীয় নাগৰিক পঞ্জীকৰণ কৰ্তৃপক্ষই কোনো ব্যক্তিৰ বিষয়ে, যি...

(ক) ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশালৈকে অসম ৰাজ্যৰ বাহিৰত আন ঠাইত বাস কৰি আছিল; বা

(খ) ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশালৈকে অসমৰ ভিতৰতে এখন জিলাৰপৰা আন এখনলৈ স্থানান্তৰিত হৈছিল।
যেনেকৈ নহঁওক, আন্তঃৰাজ্যিক বা আন্তঃজিলাৰ সংযোগৰ জৰিয়তে, এনে ব্যক্তিৰ সৈতে সম্পৰ্কিত তথ্য নিশ্চিত কৰিব পাৰে।"
দফা ৩ত অসমৰ মূল বাসিন্দা, তেওঁলোকৰ সন্তান আৰু উত্তৰাধিকাৰীৰ সঙ্কলিত তালিকা প্ৰস্তুত কৰা সম্পৰ্কে উল্লেখ আছে, যদি তেওঁলোকৰ নাগৰিকত্ব যুক্তিসংগত সন্দেহৰ বাহিৰত আৰু পঞ্জীয়ন কৰ্তৃপক্ষৰ সন্তুষ্টিৰ সৈতে নিশ্চিত কৰা হয়। উপ-দফা(৪) অনুসৰি, যদি দফা ২ৰ উপ-দফা(২)অধীনত গ্ৰহণ কৰা আবেদন পৰীক্ষাৰ সময়ত পিতৃ-মাতৃৰ সৈতে সম্পৰ্ক বা উল্লেখিত কোনো তথ্যৰ সন্দেহজনক হিচাপে বিবেচিত হয়, তেন্তে স্থানীয় নাগৰিক পঞ্জীয়ন কৰ্তৃপক্ষই বিষয়টো তদন্ত আৰু সিদ্ধান্তৰ বাবে জিলা দণ্ডাধীশলৈ প্ৰেৰণ কৰিব লাগিব। স্থানীয় পঞ্জীয়কে ব্যক্তিজনক বা তেওঁৰ পৰিয়ালক এনে যিকোনো নিৰ্দেশনাৰ বিষয়ে অৱগত কৰাটো প্ৰয়োজন। দফা ৩ৰ উপ-দফা (৫)ত উল্লেখ কৰা হৈছে যে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশালৈকে অসমৰ বাহিৰত আন ঠাইত বসবাস কৰা ব্যক্তি সকল বা ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশালৈকে অসমৰ ভিতৰতে এখন জিলাৰ পৰা আন এখন জিলালৈ স্থানান্তৰিত হোৱা ব্যক্তিসকলৰ সন্দৰ্ভত স্থানীয় পঞ্জীয়কৰ দ্বাৰা তদন্তৰ বাবে ব্যৱস্থা লোৱা হ'ব। এই অনুচ্ছেদৰ ৩ নং দফাৰ উপ-দফা (২) ত এটা পৃথক শ্ৰেণী বা ঘটনাৰ সৈতে জড়িত ব্যক্তিসকলৰ বিষয়ে উল্লেখ কৰা হৈছে য'ত যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা কৰা ব্যক্তিসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হব। উপ-দফা(২)ত নিৰ্দেশ দিয়া হৈছে যে যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী বুলি ঘোষণা কৰা ব্যক্তিসকলক সংকলিত তালিকাত অন্তৰ্ভুক্ত

কৰা নহ'ব। এই স্বত্বটো সেইসকল ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য যিসকল ১৯৬৬ চনৰ পিছত কিন্তু ২৫ মাৰ্চ, ১৯৭১-ৰ আগতে অসমলৈ আহিছিল আৰু তেওঁলোকে বিদেশী পঞ্জীয়নৰ আঞ্চলিক কাৰ্যালয়ত তেওঁলোকৰ নাম পঞ্জীয়ন কৰিছিল আৰু তেওঁলোকক উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা কৰা হোৱা নাছিল। তেওঁলোক সংকলিত তালিকাৰ অন্তৰ্ভুক্ত হোৱাৰ যোগ্য।

১০. এইটো আমাৰ বাবে সুস্পষ্ট যে এই অনুসূচীৰ দফা ৩ৰ উপ-দফা (২)ৰ অন্তৰ্গত ব্যক্তিসকল অৰ্থাৎ যিসকল পৃথক আৰু নিৰ্দিষ্ট শ্ৰেণীৰ অন্তৰ্ভূক্ত, যিসকল ব্যক্তিক যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী বুলি ঘোষনা কৰা হৈছে, এনে ক্ষেত্ৰত, উপ-দফা ৪ৰ অধীনত কোনো অনুসন্ধান বা তদন্তৰ প্ৰয়োজন নাই। দফা ৩ৰ উপ-দফা(২)ত ব্যৱহৃত নিৰ্দিষ্ট ভাষাৰ আধাৰত, এনে ব্যক্তিসকলক ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। ইয়াৰ কাৰণ এইটোৱে যে তেওঁলোকৰ নাগৰিকত্ব স্হিতি ইতিমধ্যে যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত হৈছে। যেতিয়া এজন ব্যক্তিক অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী বুলি ঘোষণা কৰা হয় তেতিয়া তেওঁ/তাই অসমত বসবাস কৰা ভিত্তিত ভাৰতীয় নাগৰিকত্বৰ দাবী উত্থাপন কৰিব নোৱাৰে।

১১. আমি এই অনুসূচীৰ দফা ৪ৰ পৰা ৭ লৈ উল্লেখ কৰা নাই যি সংকলিত তালিকা, অতিৰিক্ত তালিকা, দাবী আৰু আপত্তিৰ সৈতে সম্পৰ্কিত। বিশেষকৈ, যিসকলৰ নাম দফা ২ ৰ অধীনত প্ৰকাশিত খচৰা তালিকাত অন্তৰ্ভুক্ত হোৱা নাই বা যিকোনো তৃতীয় পক্ষৰ দ্বাৰা দাখিল কৰা আপত্তিৰ

অধীনত প্ৰকাশিত খচৰা তালিকা বা অতিৰিক্ত তালিকাতো প্ৰকাশ হোৱা নাই। অৱশ্যে, আমি পুনৰাবৃত্তি কৰিম যে উক্ত তালিকা (তালিকাবোৰ)ত দফা ৩ৰ উপ-দফা (২)অনুসৰি উপযুক্ত প্ৰাধিকাৰীয়ে অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী বুলি ঘোষণা কৰা ব্যক্তিসকলৰ নাম অন্তৰ্ভুক্ত কৰা নহ'ব। আনহাতে, অৰ্থাৎ দফা ৩ৰ উপ-দফা ২ৰ অন্তৰ্ভূক্ত নোহোৱা বিষয়সমূহত, স্থানীয় পঞ্জীয়কে আপত্তি আৰু দাবীসমূহ বিবেচনা কৰাৰ পিছত অনুসূচীৰ দফা ৭ৰ অধীনত নাম সমূহ অন্তৰ্ভুক্তি আৰু বাতিল কৰাৰ বাবে এক পৰিপূৰক তালিকা প্ৰস্তুত কৰিব লাগিব, আৰু তাৰ পিছত অসম ৰাজ্যৰ ৰাষ্ট্ৰীয় নাগৰিকৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিব লাগিব।

১২. ২০০৩ চনৰ নিয়ম অনুসূচীৰ দফা ৮ক নিম্নলিখিত ধৰণে ব্যাখ্যা কৰা হয়-

"দফা ৮- আপীল- যিকোনো ব্যক্তিয়ে, দফা ৭ৰ অধীনত দাখিল কৰা তেওঁৰ দাবী আৰু আপত্তিৰ সিদ্ধান্তৰ ফলাফলত অসন্তুষ্ট হ'লে, তেনে ব্যক্তিয়ে ১৯৬৪ চনৰ বিদেশী (ন্যায়াধিকৰণ) আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণৰ দাৰস্হহৈ নিৰ্দিষ্ট আদেশৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত আপীল কৰিব পাৰিব, আৰু ন্যায়াধীশৰ দ্বাৰা আপীলৰ নিষ্পত্তিৰ পাছত, অসম ৰাজ্যৰ ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্ত কৰা বা বাতিল কৰা হ'ব।"

দফা ৮ত আপত্তি দাখিল কৰা আৰু দফা ৭ৰ অধীনত প্ৰকাশিত চূড়ান্ত তালিকাৰ প্ৰকাশৰ সিদ্ধান্তটোৰ ফলত অসন্তুষ্ট ব্যক্তিজনক আপীল কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে। এনে ব্যক্তিসকলে ষাঠি দিনৰ ভিতৰত ১৯৬৪ চনৰ আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণত আপীল আৱেদন দাখিল

কৰিব পাৰে  আৰু ন্যায়াধিকৰণৰ দ্বাৰা আপীল নিষ্পত্তি কৰাৰ ওপৰত ভিত্তি কৰি, এনে ব্যক্তিসকলক অসমত ভাৰতীয় ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত বা বিলোপ কৰা হ'ব পাৰে৷ সেয়েহে, দফা৮ য়ে ১৯৬৪ চনৰ আদেশৰ অধীনত গঠিত বিদেশী ন্যায়াধিকৰণক দফা ৭ৰ অধীনত দাখিল কৰা দাবী আৰু আপত্তিৰ সিদ্ধান্ত ল'বলগীয়া আপীল মঞ্চ হিচাপে গণ্য কৰা হৈছে৷

১৩. ১৯৬৪ চনৰ আদেশটো, বিদেশী আইন, ১৯৪৬ৰ ধাৰা ৩(চমুকৈ"বিদেশীআইন") অধীনৰ ক্ষমতাৰ প্ৰয়োগ কৰি জাৰী কৰা হৈছে৷ ১৯৬৪ চনৰ আদেশৰ অধীনত গঠিত ন্যায়াধিকৰণৰ বিদেশী আইনৰ অৰ্থৰ ভিতৰত ব্যক্তিজন বিদেশী হয়নে নহয় সিদ্ধান্ত লোৱাৰ ক্ষমতা আছে ৷২০১২ চনৰ সংশোধনীৰ আগতে ১৯৬৪ চনৰ আদেশটো এই আদালতে সৰ্বানন্দ সোণোৱাল -বনাম- ভাৰত যুক্তৰাজ্য আৰু অন্যান্য ( চমুকৈ "সৰ্বানন্দসোণোৱাল (।)") দ্বাৰা পৰীক্ষা কৰিছিল, য'ত এই ৰায় দিয়া হৈছিল যে ১৯৬৪ চনৰ আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণৰ বাবে নিৰ্ধাৰিত প্ৰক্ৰিয়াটো ন্যায়সঙ্গত, সঠিক আৰু যুক্তিপূৰ্ণ আছিল৷ এই যুক্তিয়ে অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণ নিৰ্ধাৰণ আইন,  ১৯৮৩), (চমুকৈ "আইএমডিটিআইন") বাতিল কৰাৰ আধাৰ গঠন হৈছিল যিহেতু ই ভাৰতীয় সংবিধানৰ পৰিপন্হী, প্ৰাথমিকভাৱে এই ভিত্তিত যে আপত্তিজনক আইনত বিদেশী আইনৰ ধাৰা ৯ৰ দৰে কোনো ব্যৱস্থা নাছিল যিয়ে ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ত সন্নিবিষ্ট থকা স্বত্বেও কোনো ব্যক্তি বিদেশী হয় নে নহয় তাৰ প্ৰমাণৰ দায়িত্ব সেইজন ব্যক্তিৰ ওপৰতেই ন্যস্ত্য কৰে৷ বস্তুনিষ্ঠ তথ্যৰ উদ্ধৃতি দি য'ত স্পষ্টভাৱে অবৈধ প্ৰব্ৰজনকাৰীৰ প্ৰতিৰূপ পৰিলক্ষিত হৈছিল, যাৰ বাবে অঞ্চলটোৰ জনগাঁথনিৰ প্ৰতি ভাবুকি সৃষ্টি হৈছিল, তাৰফলত

অসমত বিদ্ৰোহৰ আৰু অন্যান্য সমান্তৰাল মাত্ৰাৰ দিশবোৰৰ প্ৰাদুৰ্ভাৱে ৰাষ্ট্ৰীয় সুৰক্ষা ক্ষুণ্ণ কৰিছিল৷ সংবিধানৰ ৩৫৫ অনুচ্ছেদৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যক বাহ্যিক আক্ৰমণ আৰু আভ্যন্তৰীণ বিশৃংখলাৰ পৰা সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব আছে আৰু এইটো গৃহীত কৰা হৈছিল যে "আগ্ৰাসন" শব্দটোৰ অৰ্থ অতি বিস্তৃত আৰু ইয়াত অবৈধভাৱে প্ৰব্ৰজন কৰা বিদেশীৰ অনুপ্ৰৱেশকাৰীসকলকো অন্তৰ্ভুক্ত কৰা হৈছে৷ ভাৰত চৰকাৰ আৰু সৰ্বভাৰতীয় ছাত্ৰসন্থা আৰু অসমৰ ছাত্ৰ সন্থা (আছু)ৰ মাজত হোৱা মীমাংসা চুক্তি পত্ৰৰ প্ৰসংগও উল্লেখ কৰা হৈছিল৷ সৰ্বানন্দ সোণোৱাল (।) গোচৰত প্ৰদান কৰা ৰায়ৰ দফা ৩৩ত ১৯৬৪ চনৰ আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণৰ ভূমিকা স্বীকাৰ কৰি এইটো পৰ্যবেক্ষণ কৰা হৈছিল যে:

"দফা ৩৩- নাগৰিকত্ব আইন,১৯৫৫-ৰ ধাৰা ৬ৰ উপ-ধাৰা-ক(১)ৰ দফা (খ)ত" বিদেশী বুলি চিনাক্ত কৰা"ৰ পৰিভাষা দিয়া হৈছে আৰু ইয়াৰ অৰ্থ হৈছে বিদেশী আইন, ১৯৪৬ আৰু বিদেশী (ন্যায়াধিকৰণ) আদেশ ১৯৬৪ৰ বিধান অনুসৰি উক্ত আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী হিচাপে চিনাক্ত কৰা৷ একেদৰে, ধাৰা৬-ক(২)ৰ সৈতে সংলগ্ন ব্যাখ্যাতো "এনে ব্যক্তিক বিদেশী বুলি প্ৰমান কৰিবলৈ বিদেশী (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪-ৰ অধীনত গঠন কৰা ন্যায়াধিকৰণৰ মতামত"ক বুজোৱা হৈছে৷ এই বিধানসমূহে, অসম ৰাজ্যত ১৯৬৪ চনৰ বিদেশী (ন্যায়াধিকৰণ) আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণ স্থাপন আৰু কাৰ্যকৰীকৰণ বাধ্যতামূলক কৰে৷ বিদ্বান অতিৰিক্ত মহান্যায়বাদী আৰু অসমক প্ৰতিনিধিত্ব কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী কে.কে. বেণুগোপলে, এই মন্তব্য কৰিছে যে, বাস্তৱিকতে অসম ৰাজ্যত এনেদৰেই ন্যায়াধিকৰণসমূহ কাৰ্যকৰী হৈ আছে৷"

এইদৰে, আই.এম.ডি.টি. আইনখন বাতিল কৰা হৈছিল কাৰণ তাত বিদেশী আইনৰ ৯নম্বৰ ধাৰাৰ সৈতে মিল থকা কোনো ব্যৱস্থা নাছিল য'ত প্ৰমাণৰ দায়িত্বৰ বিষয়ে উল্লেখ আছে৷ এই সন্দৰ্ভত পৰ্যবেক্ষণ কৰা হৈছিল যে, গোপনে ভাৰতৰ ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰা বিদেশী নাগৰিক এজনৰ প্ৰৱেশৰ সঠিক তাৰিখ ৰাজ্যৰ পক্ষে জনোৱা কঠিন হ'ব আৰু অবৈধ প্ৰব্ৰজনকাৰীৰ নিৰন্তৰ অনুপ্ৰৱেশৰ ক্ষেত্ৰত ন্যায়ালয় নীৰৱ দৰ্শক হৈ থাকিব নোৱাৰে৷ তিনিজনীয়া ন্যায়াধীশৰ এক বিচাৰপীঠে এইটো লক্ষ্য কৰিবলৈ দ্বিধা বোধ নকৰিলে যে এই আই.এম.ডি.টি. আইনখন যিখন ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখে বা তাৰ পিছত ভাৰতত প্ৰৱেশ কৰা অবৈধ প্ৰব্ৰজনকাৰীৰ চিনাক্তকৰণ আৰু বিতাড়নৰ বাবে গঠন কৰা হৈছিল এই উদ্দেশ্যত বিফল হৈছিল৷

১৪. পৰৱৰ্তীসময়ত, এই ন্যায়ালয়ে সৰ্বানন্দ সোণোৱাল (II)-বনাম- ভাৰত যুক্তৰাজ্য (চমুকৈ "সৰ্বানন্দসোণোৱাল (II)" গোচৰত অন্যান্য বিষয়সমূহৰ লগতে তলত উল্লেখ কৰা কেইবাটাও কাৰণৰ বাবে বিদেশী (ন্যায়াধিকৰণ) সংশোধনী আদেশ ২০০৬ বাতিল কৰিছিল, আৰু যাৰ ভিতৰত সৰ্বানন্দ সোণোৱাল (I) গোচৰত উল্লেখ কৰা কাৰণসমূহ অন্তৰ্ভুক্ত আছিল আৰু যিবোৰৰ সমৰ্থন লাভ হৈছিল৷ ১৯৬৪ চনৰ আদেশৰ তুলনাত সংশোধিত আদেশত প্ৰথমে ন্যায়াধীশক এই বিষয়ে পৰ্যালোচনা কৰিবলৈ কোৱা হৈছিল যে আগবাঢ়ি যাবলৈ যথেষ্ট কাৰণ আছে নেকি, আৰু কেৱল মৌলিক তথ্যবোৰ প্ৰাথমিকভাৱে প্ৰতিষ্ঠিত হৈছে বুলি কেৱল ন্যায়াধিকৰণে সন্তুষ্টি লাভ কৰা মাত্ৰেই অবৈধ প্ৰব্ৰজনকাৰী বুলি সন্দেহ কৰা ব্যক্তিএজনক জাননী জাৰী কৰিব পাৰি নেকি৷ খণ্ড বিচাৰপীঠখনে সৰ্বানন্দ সোণোৱাল

(II)গোচৰত প্ৰদান কৰা ৰায়ৰ দফা নং ৬৪ আৰু৬৫ ত নিম্নলিখিত ধৰণে পৰ্যবেক্ষণ কৰিছিল-

"দফা ৬৪-সোণোৱাল (I)ত জাৰী কৰা স্পষ্ট নিৰ্দেশনাসমুহৰ প্ৰতি লক্ষ্য ৰাখি, যিটো ১৯৬৪ চনৰ আদেশৰ অধীনত ন্যায়াধিকৰণসমুহক শক্তিশালী আৰু কাৰ্যক্ষম কৰি তোলাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষলৈ জাৰী কৰা হৈছিল। এইটো পালন কৰাৰ পৰিৱৰ্তে, ২০০৬ চনৰ আদেশটো প্ৰৱৰ্তন কৰা হৈছিল। এইটো নহয় যে প্ৰতিবাদীসকলে অসম ৰাজ্যত ১৯৬৪ চনৰ আদেশনামা কাৰ্যকৰী কৰিবলৈ সক্ষম হোৱা নাছিল; কিন্তু তেওঁলোক ন্যায়ালয়ৰ নিৰ্দেশনা থকা স্বত্বেও সেই আদেশ বলবৎ কৰিবলৈ অস্বীকাৰ কৰিছিল। এই মনোভাৱৰ কাৰণবোৰ অনুমান কৰাটো আমাৰ কাম নহয়। সোণোৱালৰ পূৰ্বৰ ৰায়ত উল্লেখ কৰা হৈছে যে উত্তৰ-পূবৰ ৰাজ্যসমূহত এনেধৰণৰ অনিয়ন্ত্ৰিত প্ৰব্ৰজনে ৰাষ্ট্ৰৰ অখণ্ডতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছিল। সেয়েহে, ১৯৬৪ চনৰ আদেশৰ অধীনত গঠিত ন্যায়াধিকৰণসমুহক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ সোণোৱাল (I) গোচৰত আগতে এই ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশনা কঠোৰভাবে ৰূপায়ণ হোৱাটো প্ৰয়োজনীয় আছিল, যাতে সময় অতিবাহিত হোৱা স্বত্বেও অবৈধ অনুপ্ৰৱেশকাৰীসকলক দেশৰ বাহিৰলৈ প্ৰেৰণ কৰাটো নিশ্চিত কৰিব পৰা যায়। এইটো কিয় কৰা হোৱা নাছিল, এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰা নাই। আমি আকৌ এবাৰ সোণোৱাল (I)ৰ সৈতে বিলাপ কৰিব লাগিব যে অবৈধ অনুপ্ৰৱেশকাৰী নিশ্চিতকৰণ আৰু দেশৰ বাহিৰলৈ পঠিয়াই দিয়াৰ ক্ষেত্ৰত ইচ্ছাশক্তিৰ অভাৱ আছে।

দফা ৬৫ –দেখা যায় যে ২০০৬ৰ আদেশটো কেৱল আৱৰণ হিচাপে এই ন্যায়ালয়ে সোণোৱাল (I)ত জাৰী কৰা নিৰ্দেশনাবোৰ ৰূপায়ণন কৰাৰ বাবে প্ৰদান কৰা হৈছে। আমাৰ দৃষ্টিত ১৯৪৬ চনৰ আইনৰ পৃষ্ঠভূমিত জাৰী কৰা

আদেশ আৰু  সোণোৱাল (।)ত জাৰীকৰা নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত ২০০৬ চনৰ আদেশটো স্পষ্টভাৱে অপ্ৰয়োজনীয়। এই আদেশে ১৯৪৬ চনৰ আইন বা নাগৰিকত্ব আইনৰ দ্বাৰা আহৰণ কৰিব বিচৰা উদ্দেশ্য আৰু ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৫৫ৰ ভিত্তিত ৰাষ্ট্ৰৰ সুৰক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিহীত দায়বদ্ধতা, যি সোণোৱাল(।)ত আলোকপাত কৰা হৈছে সেয়া পালন নকৰে। আমি আগতেও অসম সম্পৰ্কে ১৯৬৪ চনৰ আদেশ ৰ'দকৰণ বাতিল কৰিছিলো। সেয়েহে ২০০৬ চনৰ আদেশ অযুক্তিকৰ আৰু ক্ষমতাৰ এক স্বেচ্ছাচাৰী প্ৰয়োগৰ বাবে জাৰী কৰা হৈছিল। এইটো বাতিল কৰাটো বা অবৈধ ঘোষণা কৰাটো প্ৰয়োজনীয়।"

১৫. আমি, সৰ্বানন্দ সোণোৱালৰ(।) আৰু (॥)এই দুটা ৰায়ৰ কথা উল্লেখ কৰিছো য'ত আমাৰ আগত উত্থাপিত বিষয়সমূহ আৰু তলত দিয়া যুক্তিসমূহ ইতিমধ্যে বিস্তৃতভাৱে পৰ্যালোচনা, নিষ্পত্তি, আৰু প্ৰত্যাখ্যান কৰা হৈছে।

১৬. উপৰোক্ত ৰায়সমূহত বিদেশী (ন্যায়াধিকৰণ) সংশোধনী আদেশ, ২০১২ জৰিয়তে সংশোধন হোৱাৰ পূৰ্বে ১৯৬৪ চনৰ আদেশৰ কথা উল্লেখ কৰা হৈছে। আপীলকাৰীসকলে উত্থাপন কৰা যুক্তিসমূহ বুজিবৰ বাবে, আমি সংশোধিত ১৯৬৪ চনৰ আদেশৰ দফা ৩ প্ৰথমে পুনৰুৎপাদন কৰিব বিচাৰো, যিটো নিম্ন লিখিত ধৰণৰ:

"৩. প্ৰশ্ন নিষ্পত্তিৰ প্ৰক্ৰিয়া:

(১) ন্যায়াধিকৰণৰ অধীনত যিজন ব্যক্তিৰ বিৰূদ্ধে প্ৰশ্ন উত্থাপন হৈছে, তেনে ব্যক্তিক বিদেশী বুলি অভিযোগৰ মুখ্য কাৰণসমূহৰ এক প্ৰতিলিপিসহ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিব লাগিব। এই জাননীখন যিমান সম্ভৱ

সোনকালে জাৰী কৰিব লাগিব আৰু যিকোনো ক্ষেত্ৰত, কেন্দ্ৰীয় চৰকাৰ বা যিকোনো যোগ্য কৰ্তৃপক্ষৰ পৰা এনে প্ৰশ্নৰ প্ৰসংগ লাভ কৰা দিনৰ পৰা অধিকতম দহ দিনৰ ভিতৰত জাৰি কৰিব লাগে।

(২) ন্যায়াধিকৰণে তেওঁক বা তাইক এক যুক্তিসঙ্গত আবেদন দাখিল কৰি কাৰণ দৰ্শোৱাৰ সুযোগ দিব। সাধাৰণতে, এনে আবেদন দাখিল কৰিবলৈ উপৰোক্ত জাননী জাৰী কৰা তাৰিখৰ পৰা দহদিনতকৈ বেছি সময় দিব নালাগে।

(৩) ন্যায়াধিকৰণে তেওঁক বা তাইক নিজৰ পক্ষত প্ৰমাণ দাখিল কৰিবলৈ এক যুক্তিসঙ্গত সুযোগ দিব। সাধাৰণতে, এনে প্ৰমাণ দাখিল কৰিবলৈ দহ দিনতকৈ অধিক সময় দিব নালাগে।

(৪) সাক্ষীক সাক্ষ্যগ্ৰহণৰ বা নথিপত্ৰ উপস্থাপনৰ বাবে আদালত বা আয়োগত কৰা প্ৰাৰ্থনাক অগ্ৰাহ্য কৰা হ'ব যদিহে, ন্যায়াধিকৰণৰ দ্বাৰা এনে প্ৰাৰ্থনা বিৰক্তিকৰ বা বিলম্ব কৰা বাবে কৰা হৈছে বুলি বিবেচিত হয়।

(৫) ন্যায়াধিকৰণে সংশ্লিষ্ট আৰক্ষী অধীক্ষকৰ দ্বাৰা দাখিল কৰা প্ৰমাণ গ্ৰহণ কৰিব লাগিব।

(৬) ন্যায়াধিকৰণে তেওঁলোকৰ শুনানি গ্ৰহণ কৰিব, যিসকলক ইয়াৰ মতানুসাৰে শুনা প্ৰয়োজন।

(৭) কাৰ্য্যবিধিৰ এটা পক্ষক ব্যক্তিগতভাৱে অথবা এজন আইনজীৱী বা তেওঁৰ দ্বাৰা লিখিতভাৱে অনুমোদিত কোনো ব্যক্তিৰ বা আত্মীয়ৰ জৰিয়তে ন্যায়াধিকৰণৰ সন্মুখত উপস্থিত হ'বলৈ অনুমতি দিয়া হ'ব পাৰে যাক ন্যায়াধিকৰণে সেই পক্ষৰ প্ৰতিনিধিত্ব কৰিবলৈ যোগ্য ব্যক্তি হিচাপে গ্ৰহণ কৰিব।

(৮) কাৰ্য্যবিধি স্থগিতকৰণ অথবা কোনো আবেদন মঞ্জুৰ কৰাৰ ক্ষমতা অতি সীমিতভাৱে ব্যৱহাৰ কৰা উচিত।

(৯) গোচৰটোৰ শুনানি হোৱাৰ পিছত, ন্যায়াধিকৰণে যিমান সম্ভৱ সোনকালে নিজৰ মতামত নিৰ্ধাৰিত বিষয়া বা কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব। প্ৰতিটো গোচৰ যোগ্য কৰ্তৃপক্ষৰ পৰা তথ্য পোৱাৰ ৬০ দিনৰ পিছত নিষ্পত্তি কৰিব লাগিব।

(১০) প্ৰাসংগিক প্ৰশ্নটোৰ ওপৰত ন্যায়াধিকৰণৰ মতামত সম্বলিত চূড়ান্ত আদেশ বিতং হোৱাৰ প্ৰয়োজন নাই কিয়নো ই এক ৰায় নহয়; তথ্যৰ সংক্ষিপ্ত বিবৃতি আৰু উপসংহাৰেই যথেষ্ট হ'ব।

(১১) এই আদেশৰ বিধান সাপেক্ষে, ন্যায়াধিকৰণে গোচৰবোৰ দ্ৰুততাৰে নিষ্পত্তি কৰাৰ বাবে সময় নিৰ্ধাৰিত ভাৱে নিজা প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থাকিব ।

১৭. উপৰোক্ত সংশোধিত ব্যৱস্থা বোৰৰ উল্লেখেৰে, আপীলকাৰীসকলৰ হৈ অনুৰোধ কৰা হৈছে যে বিদেশী ন্যায়াধিকৰণৰ একোটা আদেশ হৈছে এক কাৰ্যবাহী আদেশ যিয়ে এক মতামত প্ৰদান কৰে আৰু সেয়েহে, ই এক ৰায়ৰ সমান হ'ব নোৱাৰে। বিদেশী ন্যায়াধিকৰণে দাখিল কৰা সাৰাংশ মতামত এক বিতং আদেশ নহয় আৰু সেয়েহে, ই এক সিদ্ধান্ত বা ৰায় নহয়। উক্ত উপস্হাপনৰ আধাৰত, ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ দফা ৩-ৰ পৰা উপ-দফা (২)ৰ উদ্দেশ্য অনুসৰি বিদেশী ন্যায়াধিকৰণৰ মতামত উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা আদেশ নহয়। তদুপৰি, বিদেশী ন্যায়াধিকৰণে গঠন কৰা মতামতক কাৰ্যবাহী আদেশৰ দৰে হিচাপে পূৰ্বে নিৰ্ণীত বিষয় ( *res-judicata*) হিচাপে মান্যতা প্ৰদান কৰা নহয়। এইক্ষেত্ৰটো আলোকপাত কৰা হৈছিল যে কিছুমান গোচৰত, বিদেশী আইনৰ অধীনত

যিসকল ব্যক্তিক এজন বিদেশী বুলি ঘোষণা কৰা হৈছে যেতিয়া তেওঁৰ ভাই-ভনী আৰু ঘনিষ্ঠ তেজৰ সম্পৰ্ক থকা ব্যক্তিসকলৰ নাম ৰাষ্ট্ৰীয় খচৰা নাগৰিকপঞ্জীত অন্তভুক্ত কৰা হয় তেতিয়া তেওঁৰ নামো অসমৰ ৰাষ্ট্ৰীয় খচৰা নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব । এইটো দৃঢ়ভাবে ক'ব পাৰিযে এনেবোৰ বিতৰ্কিত বিষয়ৰ ক্ষেত্ৰত এজন পীড়িত ব্যক্তিয়ে ২০০৩ নিয়মৰ অনুসূচীৰ দফা ৮ ৰ আশ্ৰয় লোৱাৰ অধিকাৰ থকোটো উচিত ।

১৮. আমি বিতৰ্কসমূহ পৰীক্ষা কৰিছোঁ আৰু এইটো গৃহীত কৰাত কোনো দ্বিধা নাই যে এইবোৰৰ কোনো বলবত্তা নাই। বিদেশী আইন আৰু নাগৰিকত্ব আইন লগতে দুয়োখন আইনৰ অধীনত ধাৰ্য্য কৰা নিয়মসহ সৌহাৰ্দ্যপূৰ্ণভাৱে ব্যাখ্যা কৰিব লাগিব, যিহেতু দুয়োখন আইন আন্তঃসম্পৰ্কীয় আৰু ভগ্নীআইন। প্ৰাসংগিকভাৱে, নাগৰিকত্ব আইনৰ অধীনত প্ৰস্তুত কৰা নিয়মবোৰৰ অধীনস্থ আইন । যোগ্য কৰ্তৃপক্ষ অভিব্যক্তিটো ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ দফা ৩ৰ উপ-দফা (২) ব্যৱহৃত, য'ত স্পষ্টভাৱে আৰু নিঃসন্দেহে বিদেশী আইনৰ অধীনত যথাযথভাৱে গঠিত কৰ্তৃপক্ষৰ কৰ্তব্যৰ সন্দৰ্ভত উল্লেখ আছে। দৰাচলতে, আপীলকাৰীসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তাই আঙুলিয়াই দিবলৈ আৰু আলোকপাত কৰিবলৈ কোনো প্ৰয়াস নকৰিলে যে ইয়াত 'যোগ্য কৰ্তৃপক্ষ' অভিব্যক্তিৰ দ্বাৰা আবৃত আন কোনো কৰ্তৃপক্ষ থাকিব পাৰে বা ২০০৩ চনৰ নিয়মাৱলীৰ অনুসূচীৰ দফা ৩-ৰ উপ-দফা (২)উল্লেখ কৰা সকল যোগ্য বিবেচিত হ'ব আৰু যোগ্য কৰ্তৃপক্ষ হিচাপে গণ্য কৰিব পাৰি। অনুসূচীৰ দফা ৩-ৰ উপ-দফা (২)ত উল্লেখ কৰা দৰেই ১৯৬৪ৰ সংশোধিত আদেশৰ দফা ৩-ত 'যোগ্য কৰ্তৃপক্ষ' অভিব্যক্তি ব্যৱহাৰ কৰা হৈছে যদিও এক পৃথক প্ৰেক্ষাপটত অনুসূচীৰ দফা ৩ৰ ক্ষেত্ৰত

ন্যায়াধিকৰণৰ প্ৰসংগত উল্লেখ কৰা হয়। এনেধৰণৰ প্ৰসংগ লাভ কৰাৰ পিছত, ন্যায়াধিকৰণে ইয়াৰ মতামত/সিদ্ধান্ত দাখিল কৰিব লাগিব, যিটো মতামত/সিদ্ধান্ত নাগৰিকত্ব আইনৰ ধাৰা ৬(ক)-ৰ ব্যাখ্যা অনুসৰি চূড়ান্ত আৰু বাধ্যতামূলক। ন্যায়াধিকৰণৰ সিদ্ধান্তসমূহক প্ৰাধান্য দিয়া হৈছে। সেয়েহে, নিঃসন্দেহে অনুসূচীৰ দফা৩-ৰ উপ-দফা (২)ত উল্লেখ কৰা ধৰণে বিদেশী আইন অৰ্থাৎ ১৯৬৪ চনৰ আদেশৰ অধীনত গঠন কৰা ন্যায়াধিকৰণেই হ'ব যোগ্য কৰ্তৃপক্ষ ।

১৯) ১৯৬৪ চনৰ আদেশৰ অধীনত কৰা ২০১২ চনৰ পিছৰ সংশোধনীৰ দ্বাৰা নিৰ্ধাৰণ কৰা পদ্ধতিয়ে প্ৰাকৃতিক ন্যায়ৰ নীতিসমূহ মানি চলাৰ নিৰ্দেশ দিয়ে। ন্যায়াধিকৰণে বিদেশী বুলি অভিযুক্ত কৰা ব্যক্তিজনলৈ প্ৰেৰণ কৰা কাৰণ দেখুৱাৰ জাননীৰ লগতে সকলো অভিযোগ আৰু ইয়াৰ ভিত্তিসমূহ সন্নিবিষ্ট কৰি প্ৰেৰণ কৰিব লাগিব। [সৰ্বানন্দ সোণোৱাল (দ্বিতীয়) (উপৰোক্ত)ৰ ৬০নং দফা চাওঁক]। তাৰপিছত, ব্যক্তিজনক আবেদন দাখিল কৰা আৰু প্ৰমাণ প্ৰস্তুত কৰাৰ বাবে যুক্তিসঙ্গত সুযোগ দিব লাগিব। ন্যায়াধিকৰণৰ সন্মুখত সাক্ষীসকলক হাজিৰ কৰা আৰু তেওঁলোকৰ পৰীক্ষণৰ বাবে কৰা প্ৰাৰ্থনা বিবেচনা কৰা আৰু অনুমতি দিয়াৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হৈছে যদিও এইবোৰ বিৰক্তিকৰ বা বিলম্ব ইত্যাদি কৰাৰ উদ্দেশ্যৰে দাখিল কৰা বুলি জানিব পাৰিলে অস্বীকাৰ কৰিব পাৰিব। আৰক্ষী অধীক্ষকৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰমাণকো নথিভুক্ত কৰিব পাৰিব। ন্যায়াধিকৰণে মতামত দিয়াৰ আগতে সংশ্লিষ্ট ব্যক্তিজনৰ শুনানী গ্ৰহণ কৰিব লাগিব। সংশ্লিষ্ট ব্যক্তিজনে ব্যক্তিগতভাৱে বা আইনীজীৱিৰ জৰিয়তে বা এজন কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিৰ জৰিয়তে হাজিৰ হ'ব পাৰে। যোগ্য কৰ্তৃপক্ষৰ পৰা মতামত লাভ কৰা কৰাৰ ষাঠি দিনৰ ভিতৰত সিদ্ধান্ত প্ৰদান কৰিব লাগিব।

নিঃসন্দেহে, এই নিয়ম সমূহে ন্যায়াধিকৰণৰ মতামত আৰু বিশদ ৰায়ৰ প্ৰয়োজনীয়তা নিৰ্ধাৰণ নকৰে, তথাপিও, এইটো স্পষ্ট যে মতামত প্ৰদান কৰা আৰু সিদ্ধান্ত লোৱাৰ তথ্য আৰু কাৰণসমূহ উল্লেখ কৰিব লাগিব। এইটো এটা সিদ্ধান্ত আৰু আদেশ। এই গোচৰবোৰ দ্ৰুততাৰে আৰু নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত নিষ্পত্তি হোৱাটো নিশ্চিত কৰিবলৈ সময় নিৰ্ধাৰিতভাৱে আৰু বিতং ৰায়তকৈ এটা আদেশ প্ৰদান কৰাটো প্ৰয়োজনীয় । বিদেশী ন্যায়াধিকৰণৰ সিদ্ধান্ত এক প্ৰশাসনিক আদেশ নহয় ই এক অৰ্ধ-ন্যায়িক আদেশহে। 'অৰ্ধ-ন্যায়িক আদেশ' অভিব্যক্তিৰ অৰ্থ হৈছে এক লিখিত ৰায় য'ত ন্যায়ালয়ৰ বাহিৰে অন্য এক ন্যায়াধিকৰণ, যাৰ দ্বাৰা প্ৰতিদ্বন্দিতা হোৱা সমস্যা আৰু প্ৰশ্নসমূহ নিৰ্ধাৰণ কৰা আৰু সিদ্ধান্ত লোৱা হয়। এনে নিৰ্ধাৰণৰ পৰিণতি দেৱানী বিষয়ক। ভাৰতীয় জাতীয় কংগ্ৰেছ (আই) -বনাম- সমাজ কল্যাণ প্ৰতিষ্ঠান আৰু অন্যান্য, (২০০২)৫ এচ.চি.চি পৃ.৬৮৫ত অৰ্ধ-ন্যায়িক আদেশৰ অৰ্থ ব্যাখ্যা কৰোতে এইটো গৃহীত কৰা হৈছিল যে যেতিয়া ব্যক্তিৰ কোনো সংস্হাই কোনো ব্যক্তিৰ অধিকাৰৰ বিষয়ে আৰু ন্যায়িকভাৱে কাম কৰাৰ কৰ্তব্য প্ৰভাৱিত কৰা যিকোনো প্ৰশ্ন নিৰ্ধাৰণ কৰাৰ বাবে আইনী কৰ্তৃত্বপ্ৰাপ্ত হয়, এনে ব্যক্তিৰ সংস্থাই এক অৰ্ধ-ন্যায়িক সংস্থা গঠন কৰে আৰু তেওঁলোকে দিয়া সিদ্ধান্ত হৈছে এক অৰ্ধ-ন্যায়িক সিদ্ধান্ত । যদি আইনে এনে কৰ্তৃপক্ষক দুয়োটা প্ৰতিদ্বন্দী পক্ষৰ মাজত বিবাদ নিষ্পত্তি কৰাৰ ক্ষমতা প্ৰদান কৰে, কিন্তু যেতিয়া সিদ্ধান্তটোৱে পক্ষপাতিত্বমূলকভাৱে কৰ্তৃপক্ষৰ বিপৰীতে বিষয়টোক প্ৰভাৱিত কৰে, তেন্তে ই এক অৰ্ধ-ন্যায়িক আদেশ হ'ব যদিহে কৰ্তৃপক্ষই বিধিৰ দ্বাৰা ন্যায়িকভাৱে কাম কৰাৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও, যিয়ে প্ৰশাসনিক কাৰ্য্যক অৰ্ধ-ন্যায়িক কাৰ্য্যৰ পৰা পৃথক কৰে সেইটো হৈছে যে এটা অৰ্ধ-ন্যায়িক সংস্থাই সিদ্ধান্তত উপনীত হোৱাৰ আগতে

বিষয়টোৰ অনুসন্ধান কৰা প্ৰয়োজন। তদুপৰি, প্ৰশাসনিক কৰ্তৃপক্ষ হৈছে যি নীতি আৰু যুক্তিৰ দ্বাৰা নিৰ্দেশিত হয় আনহাতে এক অৰ্ধ ন্যায়িক কৰ্তৃপক্ষকই নিয়ম অনুসৰি কাম কৰা প্ৰয়োজন।

২০. ন্যায়াধিকৰণৰ মতামত/আদেশ, বা বিদেশী ন্যায়াধিকৰণৰ মতামতৰ আধাৰত পঞ্জীয়ন কৰ্তৃপক্ষই প্ৰদান কৰা আদেশ, যিয়েই নহওঁক, ইয়াক লেখ কাৰ্যবিধিৰ দ্বাৰা প্ৰত্যাহ্বান জনাব পাৰিব। সেয়েহে, এইটো ধৰি লোৱাটো ভুল হ'ব যে বিদেশী ন্যায়াধিকৰণৰ মতামত আৰু/বা পঞ্জীয়ন কৰ্তৃপক্ষ দ্বাৰা প্ৰদান কৰা পৰিণামমূলক আদেশ পূৰ্বে নিৰ্ণীত (*res-judicata*) হিচাপে গণ্য ন'হব। ন্যায়াধিকৰণৰ মতামত আৰু পঞ্জীয়ন কৰ্তৃপক্ষৰ আদেশ এই দুয়োটাই আইনৰ অধীনত, অধিকাৰ/ স্থিতি নিৰ্ধাৰণ আৰু প্ৰতিযোগিতামুলক প্ৰতিদ্বন্দীতাৰ পিছত কৰ্তৃপক্ষৰ দ্বাৰা গ্ৰহণ কৰা সিদ্ধান্তৰ ফলাফল, এনে ক্ষেত্ৰত এইবোৰ অপৰিহাৰ্যভাৱে পৰৱৰ্তী সময়ত একে কৰ্তৃফক্ষৰ সন্মুখত একেটা সমস্যা/প্ৰশ্ন পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত বাধা হিচাপে কাম কৰিব।এই আদালতে শ্ৰীমতী উজ্জমবাই –বনাম- উত্তৰ প্ৰদেশ আৰু অন্য, এ.আই.আৰ ১৯৬২এছ.চি ১৬২১ ত ৰায় প্ৰদান কৰিছিল যে পূৰ্বে নিৰ্ণীত (*res-judicata*)ৰ নীতিবোৰ সমানে অৰ্ধ-ন্যায়িক সংস্থাৰ ক্ষেত্ৰতো প্ৰযোজ্য। যেতিয়া কোনো ন্যায়িক বা অৰ্ধ-ন্যায়িক ন্যায়াধিকৰণে কোনো আইন বা বাস্তৱ প্ৰসংগত সিদ্ধান্ত দিয়ে, সেই সিদ্ধান্তক একত্ৰিত ভাৱে বা দ্বিতীয়বাৰৰ বাবে পুনৰ প্ৰশ্ন কৰা নহয়। সেই সিদ্ধান্ত, আপীল বা লেখ প্ৰক্ৰিয়াৰ দ্বাৰা পৰিবৰ্তন নোপোৱা পৰ্যন্ত বাধ্যতামূলক। ন্যায়িক কাৰ্য্য বা সিদ্ধান্তৰ বৈশিষ্ট্যটো হৈছে যে সেই সিদ্ধান্ত শুদ্ধ হওক বা ভুল হওক, ই বাধ্যতামূলক। সেয়েহে, এনে সংস্থাই আইন বা তথ্যৰ ক্ষেত্ৰত কৰা কোনো ত্ৰুটি, সি

যিয়েই নহওক, সেই ত্ৰুটি সংস্থাটোৰ ক্ষেত্ৰাধিকাৰৰ বিষয়ৰ সৈতে সম্পৰ্কিত ন'হলে লেখৰ আবেদনৰ বাহিৰে অন্য উপায়ে প্ৰত্যাখ্যান কৰিব নোৱাৰি। ড. জে.জে. মাৰ্চেন্ট আৰু অন্যান্য বনাম শ্ৰীনাথ চতুৰ্বেদী (২০০২) ৬ এছ.এছ.চি ৬৩৫ গোচৰত, যেতিয়া বিদ্বান অধিবক্তাই যুক্তি আগবঢ়াইছিল যে ৰাষ্ট্ৰীয় উপভোক্তা বিবাদ সমাধান আয়োগে তথ্যৰ জটিল প্ৰশ্নসমূহ পৰীক্ষা কৰিব নোৱাৰে যাৰ বাবে চিকিৎসকসহ বিশেষজ্ঞসকলৰ পৰীক্ষাণ আৰু জেৰাৰ প্ৰয়োজন, আৰু উপভোক্তা বিবাদৰ নিৰ্ণয়ৰ বাবে ব্যৱহৃত প্ৰক্ৰিয়া সংক্ষিপ্ত প্ৰকৃতিৰ বাবে জটিল প্ৰশ্ন নিৰ্ধাৰণৰ বাবে উপযুক্ত নহয়,এই ন্যায়ালয়ে সেই যুক্তিসমূহ প্ৰত্যাখ্যান কৰিছিল আৰু গৃহীত কৰিছিল যে উপভোক্তা সুৰক্ষা অধিনিয়ম, ১৯৮৬-ৰঅধীনত, এক দ্ৰুত বিচাৰৰ (*summary trial*)বাবে, প্ৰাকৃতিক ন্যায়ৰ মূলনীতিসমূহ অনুসৰণ কৰা বিস্তৃত প্ৰক্ৰিয়া প্ৰদান কৰা হৈছে। এইটো কেৱল এই কাৰণে যে বিচাৰ প্ৰক্ৰিয়াটো দ্ৰুত প্ৰকৃতিৰ হোৱাৰ বাবে অন্যায় আৰু অনুচিত বুলি প্ৰত্যাখ্যান কৰাৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে। তদুপৰি, ৰাজেশ কুমাৰ আৰু অন্যান্য -বনাম- ডেপুটি চি.আই.টি(Dy. CIT) আৰু অন্যান্য (২০০৭) ২ এছ.চি.চি. গোচৰত সিদ্ধান্ত লোৱা হৈছিল যে, যেতিয়া কোনো বৈধ প্ৰাধিকাৰীৰ দ্বাৰা কৰা কামৰ ফলত আইনী বা বেআইনী পৰিণতিৰ উদ্ভৱ হয়, তেতিয়া প্ৰাকৃতিক ন্যায়ৰ সিদ্ধান্তসমূহ পালন কৰিব লাগিব। আইন আৰু সাংবিধানিক ন্যায়ালয়সমূহৰ সৈতে সংযোজিত ন্যায়িক পৰ্যালোচনাৰ ক্ষমতাই বৰ্তমান গোচৰত পৰিপ্ৰেক্ষিতত যথেষ্ট সুৰক্ষা প্ৰদান কৰে।

২১. যেতিয়া পূৰ্বে নিৰ্ণীত (ৰেছ জুডিকেটা)নীতিৰ সাধাৰণ বিধিসমূহ প্ৰয়োগ কৰা হয়, তেতিয়া আপিলকাৰীসকলৰ উত্থাপিত দাবী, যে, বিদেশী ন্যায়াধিকৰণে পূৰ্বতে প্ৰকাশ কৰা মতামতৰ সত্বেও, প্ৰাসংগিক ব্যক্তিজনক

বিদেশী ন্যায়াধিকৰণত দ্বিতীয় বাৰৰ বাবে মোকৰ্দ্দমা কৰাৰ অনুমতি দিয়া হ'ব, সেইয়া অবাস্তৱিক আৰু সম্পূৰ্ণ ৰূপে গ্ৰহণযোগ্য নহয়। এই আবেদন আঁসোৱাহযুক্ত আৰু অমূলক। সেয়া কাৰণে এই দাবী বাতিল কৰা আৰু বিফল হোৱা উচিত।

২২. ওপৰত উল্লেখ কৰা অনুসৰি, যিজন ব্যক্তি ন্যায়াধিকৰণৰ মতামত/আদেশৰ দ্বাৰা ক্ষুব্ধ হয়, তেওঁ এখন লেখ আবেদন দাখিলৰ জৰিয়তে ন্যায়াধিকৰণে প্ৰকাশ কৰা ফলাফল/মতামতক প্ৰত্যাহ্বান জনাব পাৰিব, য'ত উচ্চ ন্যায়ালয়ে, "সিদ্ধান্ত লোৱা প্ৰক্ৰিয়াত কৰা ত্ৰুটি" নীতিৰ আধাৰত ন্যায়িক পৰ্যালোচনাৰ ক্ষমতা প্ৰয়োগ কৰি গোচৰটোৰ প্ৰমাণ আৰু তথ্য সক্ৰান্তীয় বিষয় পৰীক্ষা কৰাৰ অধিকাৰ লাভ কৰিব। এইটো ন্যায়াধিকৰণে প্ৰদান কৰা আদেশত থকা 'ভুল' সংশোধন আৰু সঠিক কৰিবলৈ আৱশ্যকীয় হিচাপে বিবেচিত হয়।

২৩. এই দিশটো আলোকপাত কৰা হৈছিল যে আনকি পৰিয়ালৰ নিকট আত্মীয়ৰ ক্ষেত্ৰতো বিদেশী ন্যায়াধিকৰণসমূহৰ পৰষ্পৰ বিৰোধী মতামত 'পৰিয়াল বৃক্ষৰ শুনানী' অনুষ্ঠিত হ'লে পৰিহাৰ কৰিব পাৰি, যিদৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰা হৈছে। যুটীয়া সিদ্ধান্তৰ অনুপস্থিতিত, বিবাদ উদ্ভৱ হোৱাৰ সম্ভৱনীয়তা থাকে, কিয়নো পূৰ্বে নিৰ্ণীত (ৰেছ জুডিকাটা) সিদ্ধান্তৰ নীতিসমূহ দুজন নিকট আত্মীয়, কিন্তু ভিন্ন ব্যক্তিৰ পৃথক কাৰ্য্যবিধিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব, প্ৰতিটো গোচৰতেই নথিভুক্ত তথ্য আৰু প্ৰমাণৰ আধাৰত কঠোৰভাৱে সিদ্ধান্ত ল'ব লাগিব। দ্বিতীয়তে, কিছুমান/এজন নিকট আত্মীয় ২৪ মাৰ্চ, ১৯৭১ৰ মাধ্যৰাতিৰ আগতে ভাৰতলৈ স্থানান্তৰিত হ'ব পাৰে আৰু সেয়া পৃথক শ্ৰেণীত পৰে। যি কি

নহওক, এনেধৰণৰ যিকোনো বিবাদে আমাক স্পষ্ট বিধিবদ্ধতাৰ ব্যৱস্থাসমূহৰ ক্ষেত্ৰত ভিন্ন দৃষ্টিভংগী ল'বলৈ বাধ্য কৰিব নোৱাৰে । এটা নিৰ্দিষ্ট গোচৰত, কোনো ধৰণৰ অন্যায় নোহোৱাটো নিশ্চিত কৰিবলৈ, এজন পীড়িত ব্যক্তিৰ লেখ ক্ষেত্ৰাধিকাৰ বা প্ৰয়োজন সাপেক্ষে উষ্চ ন্যায়ালয় বা এই ন্যায়ালয়ত পুনৰীক্ষণ ক্ষেত্ৰাধিকাৰ আহ্বান কৰাৰ স্বাধীনতা থাকিব। কোনো ব্যক্তিৰ নাগৰিকত্ব স্থিতি নিৰ্ধাৰণ কৰা আদেশৰ পাছত, পৰিয়ালৰ নিকট সদস্যৰ ক্ষেত্ৰত জাৰি কৰা যিকোনো আদেশ, অপৰিহাৰ্যভাৱে এক গুৰুত্বপূৰ্ণ বস্তুনিষ্ঠ প্ৰমাণ যাক লেখ আবেদন বা পুনৰীক্ষণ আবেদন নিস্পত্তি কৰাৰ সময়ত যথাযথভাৱে দৃষ্টিগোচৰ আৰু বিবেচনা কৰা হ’ব।

২৪. উক্ত ফলাফলবোৰৰ প্ৰতি লক্ষ্য ৰাখি, এইটো গৃহীত কৰা হৈছে ২০০৩ নিয়মৰ অনুসূচীৰ ৮নং দফাত, প্ৰদানকৰা ১৯৬৪ চনৰ আদেশৰ অধীনত ন্যায়াধিকৰণৰ সন্মুখত আপীল দাখিল কৰা অধিকাৰ, কেৱল তেতিয়াহে প্ৰযোজ্য হ'ব, য'ত ১৯৬৪ৰ আদেশৰ অধীনত গঠিত ন্যায়াধিকৰণে ইতিমধ্যে ব্যক্তি এজন ভাৰতীয় নাগৰিক নে বিদেশী সেই বিষয়ত সিদ্ধান্ত লোৱা নাই। অন্যহাতে, য'ত ১৯৬৪ চনৰ আদেশৰ অধীনত নাগৰিকতাৰ প্ৰশ্ন আৰু বিষয় ইতিমধ্যে নিৰ্ধাৰিত হৈছে, ২০০৩ৰ নিয়মাৱলীৰ অনুসূচীৰ ৮নং দফাৰ অধীনত দাখিল কৰা আপীল গ্ৰহণযোগ্য নহ'ব। এই সিদ্ধান্ত চূড়ান্ত হ'ব আৰু অনুসূচীৰ অধীনৰ পঞ্জীয়ন কৰ্তৃপক্ষ আৰু স্থানীয় পঞ্জীয়কৰ ওপৰত বাধ্যতামূলক হ'ব । দফা ৮ ত সন্নিবিষ্ট বিধান অনুসৰি, একে কৰ্তৃপক্ষৰ, অৰ্থাৎ ১৯৬৪চনৰ আদেশৰ অধীনত গঠন কৰা বিদেশীসকলৰ ন্যায়াধিকৰণৰ সন্মুখত, চূড়ান্ত তালিকা প্ৰস্তুত হোৱাৰ পাছত দ্বিতীয়বাৰ আইনী কাৰ্য্যবিধি আৰম্ভ কৰাৰ কোনো ব্যৱস্থা দিয়া হোৱা নাই। ২০০৩ৰ নিয়মৰ

অনুসুচিৰ দফা নং ৮ ৰ বিধানসমূহ তেতিয়াহে প্ৰযোজ্য হ'ব যেতিয়া বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা পূৰ্বে কোনো নিৰ্ণয় আৰু সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই।

২৫. এই ন্যায়ালয়ে আপীল মঞ্চ সৃষ্টি কৰিব লাগে বুলি উত্থাপিত বিকল্প যুক্তি, অৱশ্যে লিখিত দাখিলিত আৰু তৰ্কত তুলি ধৰা হোৱা নাই। আমি এনে কোনো নিৰ্দেশনা দিব নোৱাৰো আৰু বিধায়কসকলৰ বাবে সংৰক্ষিত আইন প্ৰণয়নৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিম নোৱাৰিম। এয়া কোনো নিৰ্বাসিত বিধানৰ গোচৰ নহয় বা ইয়াৰ তথ্যই শূন্যতাৰ বাবে আৰু যেতিয়া মৌলিক মানৱ অধিকাৰৰ কাৰ্যকৰী প্ৰৱৰ্তনৰ ব্যৱস্থাৰ বাবে সক্ৰিয় আইনৰ সম্পূৰ্ণ উপস্থিতি নাথাকে তেতিয়া ন্যায়ালয়ক ক্ষমতা প্ৰয়োগ কৰাৰ বাবে ন্যায় সঙ্গত অধিকাৰ প্ৰদান নকৰে। [পি.ৰামচন্দ্ৰ ৰাও বনাম কৰ্ণাটক ৰাজ্য(২০০২) ৪ এচ.চি.চি ৫৭৮ আৰু প্ৰবাসী ভলাই সংগঠন বনাম ভাৰত যুক্তৰাজ্য (২০১৪) ১১ এচ.চি.চি ৪৭৭ চাওক]।

২৬. উপৰোক্ত পৰ্যৱেক্ষণৰ দ্বাৰা, আমি আপীলসমূহ নিষ্পত্তি কৰোঁ আৰু ব্যক্তিসকলৰ নাগৰিকত্ব স্থিতিৰ নিৰ্ণয় সম্পৰ্কে নিৰিক্ষণ কৰা বিবাদৰ ওপৰত ভিত্তি কৰি আপীলকাৰীসকলৰ অভিযোগ অস্বীকাৰ কৰোঁ। এই ন্যায়ালয়ে এক আপীলমঞ্চ সৃষ্টিৰ নিৰ্দেশনা দিব লাগে বুলি কৰা যুক্তিও আমি অস্বীকাৰ কৰোঁ।

নিধি জৈন আপীল নিষ্পত্তি কৰা হৈছে।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱে ই সঠিক বুলি বিবেচিত হ’ব।”